# ASSAM BOARD QUESTION PAPER

2023

Download PDF
aglasem.com

**33T ACOU**

# 2023

# ACCOUNTANCY

**Full Marks : 80**

**Pass Marks : 24**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No.* ***1 (a)*** | 1×4 = 4 |
| ***1 (b)*** | 1×2 = 2 |
| ***1 (c)*** | 1×2 = 2 |
| *Q. Nos.* ***2–7*** *carry* ***2*** *marks each* | 2×6 = 12 |
| *Q. Nos.* ***8–11*** *carry* ***3*** *marks each* | 3×4 = 12 |
| *Q. Nos.* ***12–15*** *carry* ***6*** *marks each* | 6×4 = 24 |
| *Q. Nos.* ***16–18*** *carry* ***8*** *marks each* | 8×3 = 24 |
| | Total = 80 |

1. (a) Fill in the blanks with appropriate word/words : ***(any four)*** 1×4=4

উপযুক্ত শব্দৰে খালীঠাই পূৰ কৰা ঃ *(যিকোনো চাৰিটা)*

(i) Equity shareholders are _______ of the company.

সমাংশপত্ৰধাৰক সকল কোম্পানীৰ _______ হয়।

(ii) Receipts and Payments account is a summary of _______ transactions.

জমা-খৰচ হিচাপ হৈছে _______ লেনদেনসমূহৰ সংক্ষিপ্ত বিৱৰণী।

(iii) Maximum number of members in a partnership business is _______.

এটা অংশীদাৰী ব্যৱসায়ৰ বাবে সৰ্বোচ্চ সদস্যৰ সংখ্যা হৈছে _______।

(iv) In the absence of any agreement, at the time of retirement of partner goodwill is to be adjusted in _______ ratio.

কোনো চুক্তিৰ অবিহনে, অংশীদাৰ এজনৰ অৱসৰৰ সময়ত সুনামৰ _______ অনুপাতত সংযোজন কৰা হয়।

(v) Profit and Loss Account is also known as _______ statement.

লাভ-লোকচান হিচাপক _______ বিবৃতি বুলিও জনা যায়।

(b) State whether the following statements are True *or* False : 1×2=2

তলৰ উক্তিবোৰ শুদ্ধ *নে* অশুদ্ধ লিখা ঃ

(i) A company has a separate legal entity different from its members.

এটা কোম্পানীৰ ইয়াৰ সদস্যসকলৰ পৰা পৃথক এক আইনগত সত্ত্বা থাকে।

(ii) Quick Assets = Current Assets – Inventory – Prepaid Expenses.

ত্বৰিত সম্পত্তিসমূহ = চলিত সম্পত্তিসমূহ – মজুত পণ্য – অগ্ৰিমপ্ৰদত্ত ব্যয়।

(c) Choose the correct alternative : $1 \times 2 = 2$

শুদ্ধ উত্তৰটো বাছনি কৰা ঃ

(i) The portion of the capital which can be called up only on the winding up of the company is called :

কোম্পানীৰ অৱসায়নৰ সময়তহে তলব কৰিব পৰা মূলধনৰ অংশক কোৱা হয় ঃ

(a) Authorised capital

অনুমোদিত মূলধন

(b) Uncalled capital

অতলবী মূলধন

(c) Reserve capital

সঞ্চিত মূলধন

(d) Issued capital

বিলিকৃত মূলধন

(ii) Donation received for a specific purpose is a :

বিশেষ উদ্দেশ্যৰ বাবে লাভ কৰা দান হৈছে ঃ

(a) Capital Receipt

মূলধনী আয়

(b) Revenue Receipt

চলিত আয়

(c) Asset

সম্পত্তি

(d) Liability

দেনা

2. What is a Registered Debenture ? 2

পঞ্জীকৃত ঋণপত্ৰ মানে কি?

*OR / নাইবা*

What is 'Data validation' ?

'Data validation' মানে কি?

3. What is Goodwill of a business ? 2

ব্যৱসায়ৰ সুনাম মানে কি?

4. What is meant by Cash Flow from Operating Activities ? 2

ব্যৱসায়িক কাৰ্য্যকলাপৰ পৰা নগদ প্ৰৱাহ মানে কি বুজা যায়?

5. A and B are partners sharing profits and losses in the ratio of 5 : 3. C is admitted as a new partner for $\frac{1}{4}$th share, which he acquires $\frac{1}{6}$th from A and $\frac{1}{12}$th from B. Calculate the new profit sharing ratio. 2

A আৰু B দুজন অংশীদাৰ আৰু তেঁওলোকে 5 : 3 অনুপাতত লাভ-লোকচান বণ্টন কৰিছিল। তেঁওলোকে C-ক নতুন অংশীদাৰ হিচাপে ললে। C-য়ে লাভৰ $\frac{1}{4}$ অংশ পাব। এই অংশ তেঁও A ৰ পৰা $\frac{1}{6}$ অংশ আৰু B-ৰ পৰা $\frac{1}{12}$ অংশ ললৈ। নতুন লাভ বণ্টনৰ অনুপাত নিৰ্ণয় কৰা।

*OR / নাইবা*

Mention *two* rights of a partner. 2

এজন অংশীদাৰৰ *দুটা* অধিকাৰ উল্লেখ কৰা।

6. Write *two* limitations of ratio analysis. 2

অনুপাত বিশ্লেষণৰ *দুটা* সীমাবদ্ধতা লিখা।

*OR / নাইবা*

Mention *two* limitations of financial statements. 2

বিত্তীয় প্ৰতিবেদনৰ *দুটা* সীমাবদ্ধতা উল্লেখ কৰা।

*OR / নাইবা*

What is sequential code ? 2

Sequential ক'ড কি হয়?

7. What is the meaning of Cash Flow from Investing Activities ? 2

বিনিয়োগ কাৰ্যকলাপৰ পৰা হোৱা নগদ ধনৰ প্ৰবাহৰ অৰ্থ লিখা।

*OR / নাইবা*

What is meant by the term 'Cash Equivalents' ? 2

'নগদৰ সমতুল্য' পদটোৰ দ্বাৰা কি বুজা যায়?

*OR / নাইবা*

Write a note on 'Queries'. 2

'Queries'-ৰ ওপৰত এটি টোকা লিখা।

8. Write ***any three*** essential features of partnership. 3

অংশীদাৰীৰ ***যিকোনো তিনিটা*** আৱশ্যকীয় বৈশিষ্ট্য লিখা।

*OR / নাইবা*

Write *three* distinctions between 'Profit and Loss Account' and 'Profit and Loss Appropriation Account'.

'লাভ-লোকচান হিচাপ' আৰু 'লাভ-লোকচান উপযোজন হিচাপ'ৰ মাজৰ *তিনিটা* পাৰ্থক্য লিখা।

9. Give ***any three*** differences between equity shares and preference shares. 3

সমাংশপত্ৰ আৰু অগ্ৰাধিকাৰযুক্ত অংশপত্ৰৰ মাজত থকা ***যিকোনো তিনিটা*** পাৰ্থক্য দিয়া।

*OR / নাইবা*

Explain the following terms : 3

তলৰ পদসমূহ ব্যাখ্যা কৰা ঃ

*(i)* Calls-in-arrears

বকেয়া তলবী

*(ii)* Calls-in-advance

অগ্ৰিম তলবী

*OR / নাইবা*

Mention *three* uses of Spreadsheet. 3

Spreadsheet-ৰ *তিনিটা* ব্যৱহাৰ উল্লেখ কৰা।

10. Calculate the income from subscription for the year 2021 from the following information : 3

তলৰ তথ্যৰ পৰা 2021 বৰ্ষৰ বাবে বৰঙনিৰ পৰা হোৱা আয়ৰ পৰিমাণ নিৰ্ণয় কৰা ঃ

| | 1-1-2021 (Rs.) | 31-12-2021 (Rs.) |
|---|---|---|
| Subscription outstanding<br>অনাদায় বৰঙনি | 3,000 | 2,000 |
| Subscription received in advance<br>অগ্ৰিমপ্ৰাপ্ত বৰঙনি | 4,000 | 5,000 |

Subscription received during the year 2021 - Rs.70,000

2021 বৰ্ষৰ ভিতৰত লাভ কৰা বৰঙনিৰ পৰিমাণ — 70,000 টকা।

*OR / নাইবা*

Mention *three* objectives of preparing financial statements. 3

বিত্তীয় প্ৰতিবেদন প্ৰস্তুতকৰণৰ *তিনিটা* উদ্দেশ্য উল্লেখ কৰা।

*OR / নাইবা*

Explain Database Management System. 3

ডাটাবেচ পৰিচালনা পদ্ধতিৰ ব্যাখ্যা কৰা।

11. Current Liabilities of a company were Rs.60,000 and its current ratio was 2 : 1 on 30th March, 2021. On 31st March, 2021, the company paid Rs.20,000 to a creditor. Calculate the current ratio after the payment. 3

30 মাৰ্চ, 2021 তাৰিখত এটা কোম্পানীৰ চলিত দেনাৰ পৰিমাণ 60,000 টকা আৰু চলিত অনুপাত 2 : 1 আছিল। 31 মাৰ্চ, 2021 তাৰিখত কোম্পানীয়ে 20,000 টকা পাওনাদাৰক পৰিশোধ কৰিছিল। পাওনাদাৰৰ পৰিশোধৰ পাছত চলিত অনুপাত নিৰ্ণয় কৰা।

*OR / নাইবা*

Mention *three* differences between 'Capital account' and 'Current account'. 3

'মূলধন হিচাপ' আৰু 'চলিত হিচাপ'ৰ মাজত থকা *তিনিটা* পাৰ্থক্য উল্লেখ কৰা।

*OR / নাইবা*

Describe *three* features of the Spreadsheet. 3

Spreadsheet-ৰ *তিনিটা* বৈশিষ্ট্য বৰ্ণনা কৰা।

12. Prepare a Comparative Income Statement from the following particulars : 6

তলৰ তথ্যৰ পৰা এখন তুলনামূলক আয় প্ৰতিবেদন প্ৰস্তুত কৰা ঃ

| Particulars (বিৱৰণ) | 2020 (₹) | 2021 (₹) |
|---|---|---|
| Gross Sales (মুঠ বিক্ৰী) | 1,20,200 | 1,35,800 |
| Sales Returns (বিক্ৰয় ফিৰং) | 10,400 | 7,600 |
| Cost of Goods Sold (বিক্ৰী কৰা পণ্যৰ কিনাদাম) | 80,000 | 84,000 |
| Operating Expenses (ব্যৱসায়িক কামকাজৰ খৰচ) | 24,000 | 18,000 |
| Income Tax (আয়কৰ) | 50% | 50% |

*OR / নাইবা*

What is meant by analysis of financial statements ? Explain in brief the tools of financial analysis. 1+5=6

বিত্তীয় প্ৰতিবেদনৰ বিশ্লেষণ মানে কি বুজা যায়? বিত্তীয় বিশ্লেষণৰ আহিলাসমূহ চমুকৈ বৰ্ণনা কৰা।

*OR / নাইবা*

Give the limitations of computerised accounting system. 6

কম্পিউটাৰকৃত লেখাংকন পদ্ধতিৰ সীমাবদ্ধতাসমূহ দিয়া।

13. What is meant by issue of debentures as Collateral Security ? Mention *four* differences between shares and debentures. 2+4=6

আনুষঙ্গিক জামিন হিচাপে ঋণপত্রৰ বিলি মানে কি বুজা যায়? অংশপত্ৰ আৰু ঋণপত্ৰৰ মাজৰ *চাৰিটা* পাৰ্থক্য লিখা।

*OR / নাইবা*

Explain the objectives of Database Management System (DBMS) ? 6

ডাটাবেছ পৰিচালনা পদ্ধতিৰ উদ্দেশ্যসমূহ বৰ্ণনা কৰা।

*OR / নাইবা*

Give Journal entries for issue and redemption of debentures under the following situations : 2×3=6

তলত দিয়া অৱস্থাসমূহৰ বাবে ঋণপত্ৰৰ বিলি আৰু পৰিশোধৰ জাবেদা প্ৰৱিষ্টি দিয়া ঃ

(*a*) 1,000 12% debentures of ₹100 each, issued at premium of 5% and redeemable at par.

1,000 টা, 100 টকীয়া 12% ঋণপত্ৰ 5% অধিহাৰত বিলি কৰে আৰু সমহাৰত পৰিশোধনীয়।

(*b*) 2,000, 12% debentures of ₹100 each, issued at 5% discount and redeemable at a premium of 5%.

2,000 টা, 100 টকীয়া 12% ঋণপত্ৰ 5% বাট্টাত বিলি কৰে আৰু 5% অধিহাৰত পৰিশোধনীয়।

(*c*) 3,000, 12% debentures of ₹100 each, issued at par and redeemable at a premium of 5%.

3,000 টা, 100 টকীয়া 12% ঋণপত্ৰ সমহাৰত বিলি কৰে আৰু 5% অধিহাৰত পৰিশোধনীয়।

14. A, B and C were in partnership sharing profits and losses equally. On 31st December, 2021 their Balance Sheet was as follows : 6

A, B আৰু C সমঅনুপাতত লাভ-লোকচান বিতৰণকাৰী এখন প্ৰতিষ্ঠানৰ অংশীদাৰ আছিল। 31 ডিচেম্বৰ, 2021 তাৰিখত তেঁওলোকৰ উদ্বৃত্ত-পত্ৰখন তলত দিয়া ধৰণৰ আছিল ঃ

**Balance Sheet (উদ্বৃত্ত-পত্ৰ)**

| Liabilities (দেনা) | ₹ | Assets (সম্পত্তি) | ₹ |
|---|---|---|---|
| Capital (মূলধন) | | Plant and Machinery কাৰখানা আৰু যন্ত্ৰপাতি | 10,000 |
| A = 10,000 | | Stock (মজুত) | 4,000 |
| B = 5,000 | | Sundry Debtors বিবিধ দেনাদাৰ | 6,000 |
| C = 5,000 | 20,000 | Cash at Bank বেংকত জমা | 5,000 |
| Reserve Fund সঞ্চিত পুঁজি | 3,300 | Cash in hand নগদ জমা | 300 |
| Creditors (পাওনাদাৰ) | 2,000 | | |
| | 25,300 | | 25,300 |

The firm took a joint life policy for ₹9,000 payable on the first death.

প্ৰতিষ্ঠানখনে প্ৰথম মৃত্যুত পৰিশোধনীয় 9,000 টকাৰ এখন যৌথ বীমা আঁচনি লৈছিল।

C died on 31st March, 2022. Under the partnership agreement the executors of a deceased partner were entitled to :

31 মাৰ্চ, 2022 তাৰিখত C-ৰ মৃত্যু হয়। চুক্তিমতে মৃত অংশীদাৰৰ প্ৰতিনিধিসকলে পাব ঃ

(i) Amount standing to the credit of deceased partner's capital account.
মৃত অংশীদাৰৰ মূলধন হিচাপৰ ক্ৰেডিটত থকা প্ৰাপ্য ধন।

(ii) His share of goodwill on the basis of twice the average of the past three years' profits.
বিগত তিনিবছৰৰ গড় লাভৰ দুগুণৰ ভিত্তিত তেঁওৰ সুনামৰ অংশ।

(iii) Share of profit from the closing of the last financial year to the date of death on the basis of last year's profits.
বিগত বছৰৰ লাভৰ ভিত্তিত বিগত বছৰৰ সামৰণি তাৰিখৰ পৰা মৃত্যুৰ তাৰিখলৈকে লাভৰ অংশ।

(iv) Interest on capital @ 5% p.a.
বছৰি 5% হাৰে মূলধনৰ ওপৰত সুত।

(v) Profits for the last three years were :
বিগত তিনিবছৰৰ লাভসমূহ আছিল ঃ

2019 = ₹ 6,000

2020 = ₹ 8,000

2021 = ₹ 7,000

Prepare C's capital account on the date of his death.

C-ৰ মৃত্যুৰ তাৰিখত তেঁওৰ মূলধন হিচাপ প্ৰস্তুত কৰা।

*OR / নাইবা*

Prepare Income and Expenditure Account from the following Receipts and Payments Account and other details of 'Parizat' club for the year ended 31st December, 2021 : 6

31 ডিচেম্বৰ, 2021 তাৰিখে অন্তপৰা বৰ্ষৰ বাবে পাৰিজাত ক্লাবৰ তলত দিয়া জমা-খৰচ হিচাপ আৰু অন্যান্য বিৱৰণৰ পৰা বৰ্ষটোৰ বাবে আয়-ব্যয় হিচাপ প্ৰস্তুত কৰা ঃ

**Receipts and Payments Account**
**(জমা-খৰচ হিচাপ)**

Dr. Cr.

| | *Receipt (জমা)* | (₹) | | *Payments (খৰচ)* | (₹) |
|---|---|---|---|---|---|
| To | Cash-in-hand on 1.1.21<br>1.1.21 তাৰিখত নগদ জমা | 10,000 | By | Salaries<br>দৰমহা | 12,000 |
| To | Subscriptions received<br>প্ৰাপ্ত বৰঙনি | 20,000 | By | Rent and Taxes<br>ভাড়া আৰু কৰ | 6,000 |
| To | Entrance Fee<br>ভৰ্তি মাচুল | 10,000 | By | Electric Charges<br>বিজুলীৰ খৰচ | 3,000 |
| To | Donations<br>দান | 18,000 | By | Sports Goods Purchased<br>খেল সামগ্ৰী ক্ৰয় | 25,000 |
| To | Donation for Club House<br>ক্লাব ঘৰৰ বাবে দান | 17,000 | By | Postage<br>ডাক | 5,000 |
| To | Life Membership Fee<br>আজীৱন সভ্য মাচুল | 5,000 | By | Construction of Club House<br>ক্লাব ঘৰ নিৰ্মাণ | 36,000 |
| To | Maintenance Grant<br>পৰিচালনা অনুদান | 6,000 | By | Sundry Expenses<br>বিবিধ খৰচ | 2,000 |
| To | Capital Grant<br>মূলধনী অনুদান | 7,000 | By | Payment of Outstanding Expenses<br>অপ্ৰদত্ত ব্যয় পৰিশোধ | 500 |
| To | Sale of Furniture<br>আচবাব বিক্ৰী | 1,000 | By | Cash in hand on 31.12.21<br>31.12.21 তাৰিখত নগদ জমা | 4,500 |
| | | 94,000 | | | 94,000 |

**Other details** (অন্যান্য বিৱৰণ) :

*(i)* Total of Entrance Fee and Life Membership Fee are to be capitalised.
ভৰ্তি মাচুল আৰু আজীৱন সভ্য মাচুলৰ সম্পূৰ্ণ ধন মূলধনীকৃত কৰিব লাগে।

*(ii)* Depreciation on Sports Goods is ₹2,500.
খেল সামগ্ৰীৰ ওপৰত অৱক্ষয়ৰ পৰিমাণ 2,500 টকা।

*(iii)* Book value of the furniture sold was ₹1,500 on the date of sale.
বিক্ৰীৰ তাৰিখত বিক্ৰী কৰা আচবাবৰ বহী মূল্য 1,500 টকা আছিল।

***OR / নাইবা***

How would you compute the amount due to a retiring partner ? 6

এজন অৱসৰগ্ৰহণকাৰী অংশীদাৰৰ পাবলগীয়া ধনৰ পৰিমাণ কিদৰে নিৰ্দ্ধাৰণ কৰিবা?

15. Sunu, Nanu and Nidhi are partners in a firm sharing profits in the ratio of 2 : 1 : 1. Their Balance Sheet as on 31st March, 2021 was as under : 6

চুনু, নানু আৰু নিধি 2 : 1 : 1 অনুপাতত লাভ বণ্টন কৰা প্ৰতিষ্ঠান এখনৰ অংশীদাৰ আছিল। 31 মাৰ্চ, 2021 তাৰিখত তেঁওলোকৰ উদ্বৃত্তপত্ৰ তলত দিয়া ধৰণৰ আছিল ঃ

**Balance Sheet** (উদ্বৃত্ত-পত্ৰ)

| Liabilities (দেনা) | | ₹ | Assets (সম্পত্তি) | ₹ |
|---|---|---|---|---|
| Creditors (পাওনাদাৰ) | | 50,000 | Land and Building ভূমি আৰু ভৱন | 80,000 |
| Capitals (মূলধন) : | | | Plant and Machinery কাৰখানা আৰু যন্ত্ৰপাতি | 56,000 |
| Sunu (চুনু) | 80,000 | | Furniture (আচবাব) | 30,000 |
| Nanu (নানু) | 80,000 | | Motor Car (মটৰ গাড়ী) | 54,000 |
| Nidhi (নিধি) | 60,000 | 2,20,000 | Debtors (দেনাদাৰ) | 48,000 |
| | | | Cash (নগদ) | 2,000 |
| | | 2,70,000 | | 2,70,000 |

The firm was dissolved on the above date. The assets realised as follows :

উপৰোক্ত তাৰিখত প্ৰতিষ্ঠানখনৰ অৱসায়ন হয়। সম্পত্তিসমূহ তলত দিয়া ধৰনে আদায় হ'ল ঃ

Furniture (আচবাব) – ₹ 20,000

Land and Building (ভূমি আৰু ভৱন) – ₹1,00,000

*Contd.*

Plant and Machinery (কাৰখানা আৰু যন্ত্ৰপাতি) - ₹ 50,000

Motor Car (মটৰ গাড়ী) - ₹ 28,000

Debtors (দেনাদাৰ) - 50% of Book Value (বহীমূল্যৰ 50%)

Realisation Expenses were ₹2,000 (মূল্যাদায়কৰণৰ খৰচ 2,000 টকা)

Prepare Realisation Account, Partner's Capital Account and Cash Account to close the books of the firm.

প্ৰতিষ্ঠানখনৰ বহীসমূহ বন্ধ কৰিবৰ বাবে মূল্যাদায়কৰণ হিচাপ, অংশীদাৰৰ মূলধন হিচাপ আৰু নগদ হিচাপ প্ৰস্তুত কৰা।

*OR / নাইবা*

Write the situations when a partnership firm is dissolved by the court. 6

ন্যায়ালয়দ্বাৰা অংশীদাৰী ব্যৱসায়ৰ অৱসায়নৰ পৰিস্থিতিসমূহ লিখা।

16. Amlan Company Limited issued 50,000 equity shares of ₹10 each at a premium of ₹2 each, payable as under : 8

On Application - ₹2

On Allotment - ₹5 (including premium)

On First and Final Call - ₹5

The shares were fully subscribed, called up and paid-up except allotment and call money on 500 shares. These shares were forfeited.

Give journal entries in the books of the company.

Amlan কোম্পানী লিমিটেডে প্ৰতিখন 10 টকা মূল্যৰ 50,000 খন সমাংশপত্ৰ প্ৰতিখনত 2 টকা অধিহাৰত বিলি কৰে আৰু ইয়াক তলত দিয়া ধৰনে পৰিশোধ কৰিব লাগিব ঃ

আবেদনৰ লগত — 2 টকা

আবণ্টনৰ লগত — 5 টকা (অধিহাৰৰ সৈতে)

প্ৰথম আৰু চূড়ান্ত তলবৰ লগত — 5 টকা

অংশপত্ৰবোৰৰ বাবে সম্পূৰ্ণ আবেদন পোৱা গ'ল, গোটেইবোৰ তলব কৰা হ'ল আৰু 500 খন অংশপত্ৰৰ ওপৰত আবণ্টন আৰু তলবৰ ধনৰ বাহিৰে বাকী সকলো ধন পোৱা গ'ল। এই অংশপত্ৰসমূহ বাজেয়াপ্ত কৰা হ'ল।

কোম্পানীৰ বহীত প্ৰয়োজনীয় জাবেদা প্ৰবিষ্টি দিয়া।

*OR / নাইবা*

Write short notes on : ***(any four)*** 2×4=8

চমু টোকা লিখা ঃ ***(যিকোনো চাৰিটা)***

*(a)* Securities Premium (প্ৰতিভূতি অধিহাৰ)

*(b)* Over Subscription (অধিক ক্ৰয়সম্মতি)

*(c)* Re-issue of forfeited shares (বাজেয়াপ্ত অংশপত্ৰৰ পুনৰ বিলিকৰণ)

*(d)* Unissued Capital (অবিলিকৃত মূলধন)

*(e)* Current asset (চলিত সম্পত্তি)

*(f)* Income Statement (আয়ৰ প্ৰতিবেদন)

*OR / নাইবা*

Explain the steps involved in Computerised Accounting System in detail. 8

কম্পিউটাৰকৃত লেখাংকন পদ্ধতিৰ পদক্ষেপসমূহ বিশদভাৱে বৰ্ণনা কৰা।

17\. *(a)* Explain the average profit method of valuation of goodwill. 3

সুনাম মূল্যায়নৰ গড় লাভ পদ্ধতিটো বৰ্ণনা কৰা।

*(b)* What is revaluation account ? 2

পুনৰমূল্যায়ন হিচাপ মানে কি?

*(c)* How the adjustment of capitals is made at the time of admission of a new partner ? 3

এজন নতুন অংশীদাৰৰ ভৰ্তিৰ সময়ত মূলধনৰ সংযোজন কিদৰে কৰা হয়?

*OR / নাইবা*

Nitul and Atul are partners in a firm sharing profits in the ratio 2 : 1. Pranjal is admitted into the firm as a new partner with $\frac{1}{4}$th share in profits. He will bring ₹ 30,000 as his capital. The Balance Sheet of Nitul and Atul as on 31.3.2020 was as under : 8

নিতুল আৰু অতুল 2 : 1 অনুপাতত লাভ বণ্টনৰ এখন প্ৰতিষ্ঠানৰ অংশীদাৰ। প্ৰাঞ্জলক লাভৰ $\frac{1}{4}$ অংশৰ সৈতে প্ৰতিষ্ঠানখনৰ নতুন অংশীদাৰ হিচাপে ভৰ্তি কৰা হ'ল। তেঁও মূলধন হিচাপে 30,000 টকা আনিব। 31.3.2020 তাৰিখত নিতুল আৰু অতুলৰ উদ্বৃত্ত-পত্ৰখন তলত দিয়াৰ দৰে আছিল ঃ

**Balance Sheet (উদ্বৃত্ত-পত্ৰ)**

| Liabilities (দেনা) | ₹ | Assets (সম্পত্তি) | ₹ |
|---|---|---|---|
| Creditors (পাওনাদাৰ) | 8,000 | Cash (নগদ) | 12,000 |
| Bills Payable (প্ৰদেয় বিল) | 4,000 | Debtors (দেনাদাৰ) | 8,000 |
| General Reserve (সঞ্চিত পুঁজি) | 6,000 | Stock (মজুত) | 10,000 |
| Nitul's Capital (নিতুলৰ মূলধন) | 52,000 | Furniture (আচবাব) | 5,000 |
| Atul's Capital (অতুলৰ মূলধন) | 30,000 | Machinery (যন্ত্ৰপাতি) | 25,000 |
| | | Building (ভৱন) | 40,000 |
| | 1,00,000 | | 1,00,000 |

Other terms of the agreement are as under :

চুক্তিৰ অন্যান্য চৰ্তসমূহ তলত দিয়া ধৰণৰ ঃ

*(i)* Pranjal will bring in ₹ 12,000 as his share of goodwill.

প্ৰাঞ্জলে 12,000 টকা তেঁওৰ সুনামৰ অংশ হিচাপে আনিব।

*(ii)* Building was valued at ₹ 45,000 and Machinery at ₹ 23,000.

ভৱনৰ মূল্য 45,000 টকা আৰু যন্ত্ৰপাতিৰ মূল্য 23,000 টকা ধাৰ্য্য কৰা হ'ল।

*(iii)* A reserve for bad debt is to be created at 6% on debtors.

দেনাদাৰৰ ওপৰত 6% অনুদ্ধাৰণীয় ঋণৰ বাবে পুঁজি গঠন কৰিব লাগে।

Prepare Revaluation Account, Partner's Capital Account and the Balance Sheet of the new firm.

পুনৰমূল্যায়ন হিচাপ, অংশীদাৰৰ মূলধন হিচাপ আৰু নতুন প্ৰতিষ্ঠানৰ উদ্বৃত্ত-পত্ৰখন প্ৰস্তুত কৰা।

18. Amit and Aditya are partners in a firm sharing profits and losses in the ratio of 3 : 1. The Trial Balance of the firm as on 31st December, 2022 was as under :
অমিত আৰু আদিত্য 3 : 1 অনুপাতত লাভ-লোকচান বণ্টন কৰা এখন প্ৰতিষ্ঠানৰ অংশীদাৰ। 31 ডিচেম্বৰ, 2022 তাৰিখত প্ৰতিষ্ঠানখনৰ উদ্বৃত্ত মিলনপত্ৰ তলত দিয়া দৰে আছিল ঃ 8

**Trial Balance (উদ্বৃত্ত মিলনপত্ৰ)**

| Debit (ডেবিট) | ₹ | Credit (ক্ৰেডিট) | ₹ |
|---|---|---|---|
| Machinery (যন্ত্ৰপাতি) | 35,000 | Capital (মূলধন) : | |
| Salaries (দৰমহা) | 15,850 | Amit ₹ 50,000 | |
| Carriage outward (বিক্ৰয়জনিত পৰিবহন) | 2,140 | Aditya ₹ 30,000 | 80,000 |
| Building (ভৱন) | 54,000 | Trading Account (ক্ৰয়-বিক্ৰয় হিচাপ) : | |
| Furniture (আচবাব) | 25,000 | - Gross Profit (মুঠ লাভ) | 85,700 |
| Debtors (দেনাদাৰ) | 48,200 | Creditors (পাওনাদাৰ) | 44,560 |
| Bad Debts (অনুদ্ধাৰণীয় ঋণ) | 1,400 | Bank Loan (বেংকৰ ঋণ) | 21,000 |
| Cash at Bank (বেংকত নগদ জমা) | 1,200 | Discount (বাট্টা) | 4,500 |
| Investment (বিনিয়োগ) | 10,000 | Commission (কমিছন) | 1,000 |
| Cash in hand (নগদ হাতত জমা) | 1,170 | Outstanding Wages (অনাদায় মজুৰি) | 1,200 |
| Establishment charges (প্ৰতিষ্ঠানৰ খৰচ) | 13,000 | Provision for Doubtful Debt (সন্দেহজনক ঋণৰ ভবিষ্যৎ ব্যৱস্থা) | 1,000 |
| Closing Stock (সামৰনি মজুত) | 10,000 | | |
| Depreciation on Machinery (যন্ত্ৰপাতিৰ অৱক্ষয়) | 3,500 | | |
| Publicity (প্ৰচাৰ) | 5,000 | | |
| Drawings (আহৰণ) : | | | |
| Amit (অমিত) ₹ 5,000 | | | |
| Aditya (আদিত্য) ₹ 3,000 | 8,000 | | |
| Rent and Rates (ভাড়া আৰু কৰ) | 5,500 | | |
| | 2,38,960 | | 2,38,960 |

**Additional Information (অতিৰিক্ত তথ্য) :**

*(i)* Prepaid publicity ₹500 (অগ্ৰীম প্ৰদত্ত প্ৰচাৰ 500 টকা)

*(ii)* Commission received in advance ₹200 (অগ্ৰিমপ্ৰাপ্ত কমিছন 200 টকা)

*(iii)* Provide for doubtful debts @ 5% on Sundry debtors. (দেনাদাৰৰ ওপৰত 5% হাৰত সন্দেহজনক ঋণৰ বাবে ভৱিষ্যৎ ব্যৱস্থা কৰিব লাগে)

*(iv)* Allow interest on partners' capital @ 5% p.a. (অংশীদাৰৰ মূলধনৰ ওপৰত বছৰি 5% হাৰে সুত ধৰিব লাগে।

From the above Trial Balance and additional information, prepare a Profit and Loss Account, a Profit and Loss Appropriation Account for the year ended 31st December, 2022 and a Balance Sheet as on that date.
উপৰোক্ত উদ্বৃত্ত মিলনপত্ৰ আৰু অতিৰিক্ত তথ্যৰ পৰা 31 ডিচেম্বৰ, 2022 তাৰিখত অন্তপৰা বৰ্ষটোৰ বাবে লাভ-লোকচান হিচাপ, লাভ-লোকচান উপযোজন হিচাপ আৰু সেই তাৰিখত উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰা।

—— × ——